কাম হ'ল দেশৰ আইন আৰু সংবিধানৰ ব্যাখ্যা দিয়াটো; এনে ক্ষমতাৰ বলত স্থায়ী সমিতিয়ে জাতীয় গণ-কংগ্ৰেছে প্ৰণয়ন কৰা আইন ব্যাখ্যা কৰিব পাৰে। সেইদৰে সংবিধানৰ বিভিন্ন অনুচ্ছেদৰ ব্যাখ্যা কৰাৰ ক্ষমতাও ইয়াৰ আছে। সমিতিয়ে সংবিধানৰ কাৰ্যকাৰিতাৰ প্ৰতিও লক্ষ্য ৰাখিব লাগে।

স্থায়ী সমিতিয়ে আইন প্ৰণয়ন আৰু কোনো আইন সংশোধন কৰাৰ ক্ষমতা পাইছে। জাতীয় গণ-কংগ্ৰেছে যিবিলাক বিষয়ৰ ওপৰত আইন প্ৰণয়ন কৰা নাই, তেনে বিষয়বিলাকৰ ওপৰত ই আইন প্ৰণয়ন বা সংশোধন কৰিব পাৰে।

স্থায়ী সমিতিয়ে জাতীয় গণ-কংগ্ৰেছৰ বিৰতিৰ কালছোৱাত প্ৰয়োজন সাপেক্ষে কংগ্ৰেছে প্ৰণয়ন কৰা মূল আইনৰ লগত সংগতি ৰাখি আংশিক সাল-সলনিৰ জৰিয়তে সংশোধনী আইন ৰচনা কৰি কাৰ্যকৰী কৰিব পাৰে।

**২। অৰ্থনৈতিক ক্ষমতা (Financial Power) :** স্থায়ী সমিতিৰ এটা প্ৰধান কাম হ'ল জাতীয় গণ-কংগ্ৰেছৰ অধিবেশন নথকা কালছোৱাত ৰাষ্ট্ৰীয় অৰ্থনৈতিক আৰু সামাজিক উন্নয়নৰ আঁচনিবিলাকত প্ৰয়োজনসাপেক্ষে সংযোগ সাধন কৰি সেইবোৰ অনুমোদন কৰা। সমিতিয়ে প্ৰয়োজনবোধ কৰিলে ৰাষ্ট্ৰীয় বাজেটৰো আংশিক সাল-সলনি কৰিব পাৰে।

**৩। শাসন বিষয়ক ক্ষমতা (Administrative Power) :** জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিয়ে শাসন সম্পৰ্কীয় কিছুমান গুৰুত্বপূৰ্ণ কাম কৰিব লাগে। তদুপৰি স্থায়ী সমিতিৰ পৰিদৰ্শনমূলক কাৰ্যও কিছু আছে। স্থায়ী সমিতিয়ে আইনৰ ব্যাখ্যা কৰাৰ উপৰি, ৰাষ্ট্ৰীয় পৰিষদ, কেন্দ্ৰীয় সামৰিক কমিচন, সৰ্বোচ্চ গণ-আদালত আৰু উচ্চতম প্ৰকিউৰেটৰৰ কাৰ্য পৰিদৰ্শন কৰে। ৰাষ্ট্ৰীয় পৰিষদৰ কোনো নীতি-নিয়ম, সিদ্ধান্ত নাইবা আদেশ আইন আৰু সংবিধানৰ পৰিপন্থী হ'লে স্থায়ী সমিতিয়ে সেইবোৰ বাতিল বা ৰদ কৰিব পাৰে।

প্ৰদেশ, স্বায়ত্ত শাসিত অঞ্চল আৰু কেন্দ্ৰীয় কৰ্তৃত্বৰ অধীনত থকা পৌৰসভাসমূহৰ ভুল সিদ্ধান্তসমূহ ৰদ কৰাৰ বা সংশোধন কৰাৰ ক্ষমতাও স্থায়ী সমিতিক দিয়া হৈছে।

জাতীয় গণ-কংগ্ৰেছৰ অধিবেশন নথকা সময়ছোৱাত কোনো মন্ত্ৰণালয়ৰ মন্ত্ৰী বা কমিচন্ নাইবা অডিটৰ জেনেৰেল আৰু সচিব প্ৰধানক প্ৰধানমন্ত্ৰীৰ অনুমোদন সাপেক্ষে নিৰ্বাচন কৰাৰ সিদ্ধান্ত সমিতিয়ে গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি, কেন্দ্ৰীয় সামৰিক আয়োগৰ অনুমোদনক্ৰমে আয়োগৰ অন্যান্য সদস্যসকলৰ নিৰ্বাচন সম্পৰ্কে ই সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে।

**৪। বিচাৰ বিষয়ক ক্ষমতা (Judicial Power) :** জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিয়ে কিছুমান বিচাৰ বিষয়ক কাৰ্যও সম্পাদন কৰে। উচ্চতম গণ-আদালতৰ পৰামৰ্শ অনুযায়ী স্থায়ী সমিতিয়ে উচ্চতম গণ-আদালতৰ উপ-সভাপতি, বিচাৰকসকল, বিচাৰ বিভাগীয় সমিতিৰ সদস্যসকল আৰু সামৰিক আদালতৰ সভাপতিক নিয়োগ আৰু অপসাৰণৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। ইয়াৰ উপৰি, স্থায়ী সমিতিয়ে গুৰুতৰ অপৰাধী কোনো দোষী ব্যক্তিক ক্ষমাদান কৰিব পাৰে বা ক্ষমাদান অনুমোদন কৰিব পাৰে।

**৫। কূটনৈতিক ক্ষমতা (Diplomatic Power) :** স্থায়ী সমিতিয়ে কিছুমান বৈদেশিক সম্পৰ্কীয় কাৰ্যও সম্পাদন কৰিব লাগে। বিদেশী ৰাষ্ট্ৰলৈ পঠিওৱা ৰাষ্ট্ৰদূতসকলৰ নিয়োগ

Scanned with CamScanner

আৰু প্ৰত্যাৱৰ্তনৰ প্ৰশ্ন সমিতিয়ে স্থিৰ কৰে। অন্য ৰাষ্ট্ৰৰ লগত সম্পাদন কৰা বিভিন্ন চুক্তি আদি অনুমোদন আৰু নিবাকৰণ কৰা সম্পৰ্কতো স্থায়ী সমিতিক ক্ষমতা প্ৰদান কৰা হৈছে। সামৰিক, কূটনৈতিক আৰু বিশেষ মৰ্যাদাপূৰ্ণ পদ সৃষ্টি কৰাৰ ক্ষেত্ৰত আৰু ৰাষ্ট্ৰীয় সন্মান আৰু পুৰস্কাৰ প্ৰদান কৰাৰ বাবে সমিতিয়ে সিদ্ধান্ত গ্ৰহণ কৰে।

**৬। জৰুৰী ক্ষমতা (Emergency Power) :** জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিয়ে হাতত জৰুৰী অৱস্থাৰ সন্মুখীন হ'ব পৰাকৈ সংবিধানে কিছুমান বিশেষ ক্ষমতা প্ৰদান কৰিছে। জাতীয় গণ-কংগ্ৰেছৰ অধিবেশন নথকা কালছোৱাত চীনদেশৰ ওপৰত সামৰিক আক্ৰমণ হ'লে নাইবা আন্তৰ্জাতিক চুক্তি অনুসৰি সামূহিক প্ৰতিৰক্ষাত যোগদান কৰিবলগীয়া হ'লে স্থায়ী সমিতিয়ে দেশত যুদ্ধাৱস্থা ঘোষণা কৰিব পাৰে। সমিতিয়ে দেশত সামৰিক আইন ঘোষণা কৰি সম্পূৰ্ণভাৱে বা আংশিকভাৱে সৈন্য সমাবেশৰ নিৰ্দেশ জাৰি কৰিব পাৰে। তদুপৰি দেশ ৰক্ষা বা ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰয়োজনত ইয়াৰ যিকোনো অংশত সামৰিক আইন জাৰি কৰাৰ ক্ষমতা সমিতিৰ আছে।

**৭। অন্যান্য ক্ষমতা (Misc. Powers) :** ওপৰত উল্লেখ কৰা ক্ষমতাবিলাকৰ বাহিৰেও জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিয়ে আন কিছুমান বিভিন্ন প্ৰকৃতিৰ দায়িত্ব পালন কৰিব লাগে। গণ-কংগ্ৰেছৰ বিৰতি কালত ৰাষ্ট্ৰৰ যিকোনো গুৰুত্বপূৰ্ণ বিষয় অনুসন্ধান কৰিবলৈ স্থায়ী সমিতিয়ে তদন্ত আয়োগ গঠন কৰিব পাৰে। স্থায়ী সমিতিয়ে নতুন গণ-কংগ্ৰেছ গঠন কৰিবৰ কাৰণে নিৰ্বাচন পাতিব আৰু পৰিচালনা কৰিব লাগে।

সংবিধানৰ ৬৮ নং অনুচ্ছেদ অনুযায়ী স্থায়ী সমিতিৰ সভাপতিয়ে সমিতিৰ বৈঠক আহ্বান কৰে। সভাপতিৰ সভাপতিত্বত সমিতিৰ সকলো কাৰ্য পৰিচালিত হয়। সমিতিৰ কাৰ্য পৰিচালনাত সভাপতিক উপ-সভাপতি অৰু সচিব-প্ৰধানে সহায় কৰিব লাগে। সমিতিৰ দৈনন্দিন গুৰুত্বপূৰ্ণ কাৰ্যসমূহ সভাপতি, উপ-সভাপতি আৰু সচিব প্ৰধানৰ যুটীয়া সহযোগত সম্পাদন কৰা হয়। স্থায়ী সমিতি নিজৰ কাৰ্যকলাপৰ বাবে গণ-কংগ্ৰেছৰ ওচৰত দায়ী। সমিতিয়ে নিজৰ কাৰ্যাৱলী সম্পৰ্কে কংগ্ৰেছৰ ওচৰত প্ৰতিবেদন দাখিল কৰিব লাগে।

স্থায়ী সমিতিৰ উপৰি জাতীয় গণ-কংগ্ৰেছে সংবিধানৰ ৭০ নং অনুচ্ছেদ অনুসৰি আন কিছুমান সমিতি গঠন কৰে। সেইবোৰ হ'ল— জাতিসমূহৰ সমিতি, আইন সমিতি, বিত্তীয় তথা অৰ্থনৈতিক সমিতি, শিক্ষা, বিজ্ঞান, সংস্কৃতি আৰু জনস্বাস্থ্য সমিতি, বৈদেশিক সমিতি আৰু অন্যান্য প্ৰয়োজনীয় সমিতিসমূহ। এই আটাইবোৰ সমিতি স্থায়ী সমিতিৰ প্ৰত্যক্ষ নিয়ন্ত্ৰণত পৰিচালিত হ'ব লাগে।

**স্থায়ী সমিতিৰ মৰ্যাদা আৰু ক্ষমতাৰ মূল্যায়ন (Evaluation of Position and Powers) :** লোকতান্ত্ৰিক চীন গণৰাজ্যৰ সাংবিধানিক ব্যৱস্থাত স্থায়ী সমিতিয়ে এক গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি আছে। জাতীয় গণ-কংগ্ৰেছ ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ সৰ্বশ্ৰেষ্ঠ অংগ হিচাপে সাংবিধানিক মৰ্যাদা পালেও স্থায়ী সমিতিৰ হাতত প্ৰকৃত ক্ষমতা অৰ্পণ কৰা হৈছে। ব্যৱহাৰিক আৰু সাংবিধানিক দিশৰ পৰা স্থায়ী সমিতিক চীন গণৰাজ্যৰ গণ-কংগ্ৰেছৰ এক চিৰস্থায়ী কাৰ্যকৰী সংস্থা (permanent and continuing working organ of State Power) বুলি কোৱা

Scanned with CamScanner

হয়। আইনতঃ আৰু কাৰ্যত স্থায়ী সমিতিয়েই সংবিধানৰ ধাৰক আৰু বাহক।

সাংবিধানিক অৰ্থত স্থায়ী সমিতিক জাতীয় গণ-কংগ্ৰেছৰ সৃষ্টি বুলি ক'ব পাৰিলেও কংগ্ৰেছৰ অধিবেশন দীঘলীয়া বিৰতিৰ পিছত অতি কম সময়ৰ বাবে বছৰত এবাৰ অনুষ্ঠিত হোৱা কাৰণে স্থায়ী সমিতিয়ে দেশৰ শাসনকাৰ্যত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছে। স্থায়ী সমিতিৰ কাৰ্যাৱলীৰ পৰিসৰে চৰকাৰৰ সকলো বিভাগকে সাঙুৰি লৈছে। জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলৰ নিৰ্বাচন পৰিচালনা কৰাৰ উপৰি ইয়াৰ অধিবেশন আহ্বান কৰে। ভাৰত আৰু আমেৰিকাৰ উচ্চতম ন্যায়ালয়ৰ দৰে জাতীয় গণ-কংগ্ৰেছৰ স্থায়ী সমিতিয়ে আইন আৰু সংবিধানৰ ব্যাখ্যা আৰু আদেশ বা নিৰ্দেশ জাৰি কৰিব পাৰে। ৰাষ্ট্ৰীয় পৰিষদ, প্ৰদেশ, স্বায়ত্ত শাসিত অঞ্চল, পৌৰ সভাবিলাকৰ কোনো নীতি, সিদ্ধান্ত তথা নিৰ্দেশ সংবিধানসন্মত নহ'লৈ ই বাতিল কৰিব পাৰে। ৰাষ্ট্ৰৰ অতি গুৰুত্বপূৰ্ণ পদসমূহৰ নিযুক্তি আৰু অপসাৰণ কৰিব পৰা ক্ষমতাই স্থায়ী সমিতিক অধিক শক্তিশালী কৰি তুলিছে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিনেটৰ দৰে প্ৰজাতান্ত্ৰিক চীন গণৰাজ্যৰ স্থায়ী সমিতিয়ে কোনো আন্তৰ্জাতিক চুক্তি অনুমোদন বা নাকচ কৰিব পাৰে। ই যুদ্ধ ঘোষণা বা শান্তি স্থাপনৰ গুৰুত্বপূৰ্ণ বিষয়ৰ সিদ্ধান্ত গ্ৰহণ কৰিব পাৰে। স্থায়ী সমিতিয়ে ৰাষ্ট্ৰীয় পৰিষদৰ উৰ্দ্ধত থাকি শাসন বিভাগীয় বিভিন্ন কাম-কাজৰ মাজত সমন্বয় সাধন কৰে আৰু বিভিন্ন কাম পৰিচালনা কৰে।

চীন গণৰাজ্যৰ সাংবিধানিক ব্যৱস্থাত জাতীয় গণ-কংগ্ৰেছৰ তুলনাত স্থায়ী সমিতিয়ে অধিক মৰ্যাদা আৰু ক্ষমতা ভোগ কৰে। চৰকাৰৰ দৈনন্দিন কাৰ্যকলাপ স্থায়ী সমিতিয়ে তদাৰক আৰু নিয়ন্ত্ৰণ কৰে। অৱশ্যে এই সকলো ক্ষমতা প্ৰয়োগ কৰোঁতে স্থায়ী সমিতি দেশৰ সাম্যবাদী দলৰ দ্বাৰা পৰিচালিত আৰু প্ৰভাৱান্বিত হোৱা দেখা যায়। সাম্যবাদী দলৰ নীতি বিৰোধী কোনো সিদ্ধান্ত স্থায়ী সমিতিয়ে গ্ৰহণ কৰিব নোৱাৰে। স্থায়ী সমিতিৰ ওপৰত সাম্যবাদী দলৰ নিয়ন্ত্ৰণ সুপ্ৰতিষ্ঠিত। সেয়ে হলেও, সাম্যবাদী দলৰ নেতৃত্বত চীন গণৰাজ্যত শোষণহীন সমাজ ব্যৱস্থা প্ৰবৰ্তিত হোৱাত গণ-কংগ্ৰেছৰ স্থায়ী সমিতিয়ে এক গণতান্ত্ৰিক ৰাষ্ট্ৰীয় সংস্থা হিচাপে মৰ্যাদা লাভ কৰি আছে।

## কেন্দ্ৰীয় সামৰিক আয়োগ
## (The Central Military Commission)

১৯৮২ চনৰ লোকতান্ত্ৰিক চীন গণৰাজ্যৰ সংবিধানত কেন্দ্ৰীয় সামৰিক আয়োগ এটা নতুন সৃষ্টি। আগৰ কোনো এখন সংবিধানত সামৰিক আয়োগৰ উল্লেখ পোৱা নাযায়। আমেৰিকা, ভাৰত আদি ৰাষ্ট্ৰত ৰাষ্ট্ৰৰ মুৰব্বী ৰাষ্ট্ৰপতিগৰাকীয়ে সামৰিক বাহিনীৰ সৰ্বাধিনায়ক হিচাপে কাৰ্যনিৰ্বাহ কৰে। চীনৰ পূৰ্বৰ সংবিধান কেইখনতো এই ক্ষমতা জাতীয় গণ-কংগ্ৰেছৰ হাতত ন্যস্ত কৰা আছিল। কিন্তু বৰ্তমানৰ সংবিধানে দেশৰ সামৰিক বাহিনী পৰিচালনাৰ দায়িত্ব নতুনকৈ গঠন কৰা কেন্দ্ৰীয় সামৰিক আয়োগৰ ওপৰত ন্যস্ত কৰিছে। এইদৰে নতুন সংবিধানে দেশৰ সামৰিক বাহিনীৰ পৰিচালনাৰ দায়িত্ব এজন ব্যক্তিৰ পৰিৱৰ্তে এখন কেন্দ্ৰীয়

Scanned with CamScanner

সামৰিক আয়োগৰ ওপৰত ন্যস্ত কৰিছে।

**গঠন (Composition) :** চীন গণৰাজ্যৰ সংবিধানৰ ৯৩ নং অনুচ্ছেদত কেন্দ্ৰীয় সামৰিক আয়োগৰ গঠন প্ৰণালী আৰু ক্ষমতাৰ উল্লেখ আছে। সংবিধানত উল্লেখ থকা মতে এজন সভাপতি (Chairman), এজন উপ-সভাপতি (Vice-Chairman) আৰু কেইজনমান সদস্য লৈ কেন্দ্ৰীয় সামৰিক আয়োগ গঠন হয়। সভাপতিগৰাকী আয়োগৰ মুৰব্বী। তেওঁক জাতীয় গণ-কংগ্ৰেছে নিৰ্বাচন কৰে। অন্যান্য সদস্যসকলক সভাপতিৰ পৰামৰ্শমতে কংগ্ৰেছে নিৰ্বাচন কৰিব লাগে।

**কাৰ্যকাল (Term of Office) :** কেন্দ্ৰীয় সামৰিক আয়োগৰ কাৰ্যকাল ৫ বছৰ। অৱশ্যে কাৰ্যকাল শেষ হোৱাৰ আগতে কংগ্ৰেছে সভাপতি আৰু অন্যান্য সদস্যসকলক পদৰ পৰা স্থানান্তৰ কৰিব পাৰে। অৱশ্যে কংগ্ৰেছৰ বিৰতিৰ কালছোৱাত এই দায়িত্ব কংগ্ৰেছৰ স্থায়ী সমিতিয়ে পালন কৰিব লাগে।

**ক্ষমতা আৰু কাৰ্যাৱলী (Powers and Functions) :** কেন্দ্ৰীয় সামৰিক আয়োগৰ প্ৰথম আৰু প্ৰধান দায়িত্ব হ'ল দেশৰ সশস্ত্ৰ বাহিনী পৰিচালনা কৰা। আয়োগৰ সভাপতিয়ে আয়োগ-সংক্ৰান্ত সকলো দায়িত্ব বহন কৰিব লাগে। অৰ্থাৎ সভাপতি নিয়ন্ত্ৰণ আৰু তদাৰকত ইয়াৰ সকলো কাৰ্য পৰিচালিত হয়। সামৰিক আয়োগ ইয়াৰ কাৰ্যকলাপৰ বাবে জাতীয় গণ-কংগ্ৰেছ আৰু কংগ্ৰেছৰ বিৰতি কালছোৱাত স্থায়ী সমিতিৰ ওচৰত দায়বদ্ধ থাকে। আয়োগে নিজৰ কাৰ্যাৱলীৰ প্ৰতিবেদন গণ-কংগ্ৰেছৰ ওচৰত আৰু কংগ্ৰেছৰ অধিৱেশন নাথাকিলে স্থায়ী সমিতিৰ ওচৰত দাখিল কৰিব লাগে। ওপৰত উল্লেখ কৰা হৈছে যে কেন্দ্ৰীয় সামৰিক আয়োগ চীনৰ ১৯৮২ চনৰ সংবিধানৰ নতুন সংযোজন। বিশ্বৰ আন কোনো দেশত এনেকুৱা শক্তিশালী সামৰিক আয়োগ থকা দেখা নাযায়। কেন্দ্ৰীয় সামৰিক আয়োগে দেশৰ সেনাবাহিনী পৰিচালনাৰ গুৰু দায়িত্ব পালন কৰে। চীন গণৰাজ্যৰ শাসন ব্যৱস্থাত ই এক বিশিষ্ট স্থান অধিকাৰ কৰি আছে।

**আমেৰিকাৰ কংগ্ৰেছৰ লগত চীন গণৰাজ্যৰ জাতীয় গণ-কংগ্ৰেছৰ তুলনা (Comparison between the National People's Congress of China with the Congress of the U.S.A.) :** আমেৰিকা যুক্তৰাষ্ট্ৰৰ সংবিধানৰ দৰে লোকতান্ত্ৰিক চীন গণৰাজ্যৰ সংবিধানো লিখিত। কিন্তু দুয়োখন দেশৰ ৰাজনৈতিক ব্যৱস্থা বেলেগ বেলেগ। আমেৰিকাৰ কেন্দ্ৰীয় বিধানমণ্ডলক কংগ্ৰেছ (The Congress) বুলি কোৱা হয়। ইয়াৰ দুটা সদন আছে— উচ্চ সদন চিনেট আৰু নিম্ন সদন প্ৰতিনিধি সভা। আনহাতে চীনৰ কেন্দ্ৰীয় বিধানমণ্ডলক জাতীয় গণ-কংগ্ৰেছ (National People's Congress) বুলি জনা যায়। ই এক-সদনীয়। ইয়াৰ কোনো দ্বিতীয় সদন নাই।

গঠনৰ ফালৰ পৰা বিচাৰ কৰিলে চীনৰ জাতীয় গণ-কংগ্ৰেছ তুলনামূলকভাৱে বিশ্বৰ ভিতৰতে ডাঙৰ সদন। ইয়াৰ সদস্যসংখ্যা তিনি হেজাৰতকৈ অধিক। তেওঁলোক বিভিন্ন প্ৰদেশ, স্বায়ত্ব শাসিত অঞ্চল, পৌৰসভা আদিৰ পৰা প্ৰত্যক্ষ নিৰ্বাচনত জনসাধাৰণৰ দ্বাৰা নিৰ্বাচিত হয়। আমেৰিকাৰ কংগ্ৰেছৰ সদস্যসংখ্যা সীমিত। আমেৰিকাৰ প্ৰতিনিধি সভাৰ

Scanned with CamScanner

সদস্যসংখ্যা ৪৬০ জন। তেওঁলোকক বিভিন্ন ৰাজ্যৰ জনসাধাৰণে প্ৰত্যক্ষভাৱে নিৰ্বাচন কৰে। চিনেটৰ সদস্যসংখ্যা ১০০ জন। সম প্ৰতিনিধিত্বৰ ভিত্তিত প্ৰত্যেক ৰাজ্যৰ পৰা দুজনকৈ সদস্য লৈ ই গঠিত।

আমেৰিকাৰ কংগ্ৰেছৰ সদস্যসকলৰ দৰে চীন গণৰাজ্যৰ জাতীয় গণ-কংগ্ৰেছৰ সদস্যসকলো জনসাধাৰণৰ প্ৰত্যক্ষ ভোটত নিৰ্বাচিত হয়। দুয়োখন দেশতে ১৮ বছৰ বয়সপ্ৰাপ্ত সকলো নাগৰিকে নিৰ্বাচনত অংশগ্ৰহণ কৰিব পাৰে।

চীনৰ জাতীয় গণ-কংগ্ৰেছৰ সদস্যপদৰ প্ৰাৰ্থী হ'বলৈ ব্যক্তিজন চীন দেশৰ নাগৰিক হোৱাৰ উপৰি তেওঁ ১৮ বছৰ বয়সপ্ৰাপ্ত হ'ব লাগে। আনহাতে, আমেৰিকাৰ কোনো এজন নাগৰিক ২৫ বছৰ বয়সপ্ৰাপ্ত হ'লে প্ৰতিনিধি সভাৰ আৰু ৩০ বছৰ বয়সৰ হ'লে চিনেটৰ পদপ্ৰাৰ্থী হ'ব পাৰে।

চীন গণৰাজ্যৰ জাতীয় গণ-কংগ্ৰেছৰ সভাত সভাপতিত্ব কৰিবলৈ আৰু কাৰ্য পৰিচালনাৰ বাবে সদস্যসকলে তেওঁলোকৰ মাজৰ পৰা এজন উপ-সভাপতি নিৰ্বাচন কৰি লয়। আমেৰিকাৰ প্ৰতিনিধি সভাৰ সদস্যসকলে সদনৰ কাৰ্য পৰিচালনা কৰাৰ বাবে এগৰাকী অধ্যক্ষ (Speaker) নিৰ্বাচন কৰি লয়। আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতিয়ে পদাধিকাৰৰ বলত চিনেটৰ সভাত সভাপতিত্ব কৰে।

সংবিধান অনুসৰি চীন গণৰাজ্যৰ জাতীয় গণ-কংগ্ৰেছৰ কাৰ্যকাল ৫ বছৰ। কিন্তু আমেৰিকাৰ নিম্ন সদন প্ৰতিনিধি সভাৰ কাৰ্যকাল ২ বছৰ আৰু উচ্চ সদন চিনেটৰ সদস্যসকল ৬ বছৰৰ বাবে নিৰ্বাচিত হয়।

চীন দেশৰ জাতীয় গণ-কংগ্ৰেছক সংবিধানে ৰাষ্ট্ৰশক্তিৰ সৰ্বোচ্চ সংস্থা বুলি অভিহিত কৰিছে। কংগ্ৰেছৰ কাৰ্যাৱলীৰ পৰিসৰে ৰাষ্ট্ৰীয় প্ৰশাসনীয় যন্ত্ৰৰ সকলো বিভাগকে সাঙুৰি লৈছে। আমেৰিকাৰ কংগ্ৰেছক অনুৰূপ ক্ষমতা বা মৰ্যাদা প্ৰদান কৰা হোৱা নাই। সংবিধান মতে ৰাষ্ট্ৰপতিহে যুক্তৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী।

লোকতান্ত্ৰিক চীনৰ জাতীয় গণ-কংগ্ৰেছ ব্যাপক আৰু বিস্তৃত ক্ষমতাৰ অধিকাৰী। ই একেৰাহে শাসন, আইন, অৰ্থ আৰু বিচাৰ-সম্পৰ্কীয় ক্ষমতাৰ অধিকাৰী। কংগ্ৰেছে এককভাৱে সংবিধান সংশোধন কৰিব পাৰে। ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদ ৰাষ্ট্ৰপতিৰ নিৰ্বাচন আৰু অপসাৰণৰ পৰা আৰম্ভ কৰি ন্যায়পালিকাৰ উচ্চতম গণ-আদালতৰ সভাপতি নিৰ্বাচনলৈ সকলো ক্ষমতা ই ভোগ কৰে। কিন্তু আমেৰিকাৰ কংগ্ৰেছ ইমানবিলাক ক্ষমতাৰ অধিকাৰী নহয়। আমেৰিকাৰ সংবিধান সংশোধন কৰিবলৈ কংগ্ৰেছৰ লগত ৰাজ্যবিলাকৰ অনুমোদন আৱশ্যক হয়। ক্ষমতা পৃথকীকৰণ তত্ত্বৰ প্ৰচলনে আমেৰিকাৰ কংগ্ৰেছৰ ক্ষমতা বহু পৰিমাণে সংকুচিত কৰিছে।

জাতীয় গণ-কংগ্ৰেছে দেশৰ বিভিন্ন পৰ্যায়ৰ উচ্চ-পদস্থ কৰ্মচাৰীকে ধৰি ৰাষ্ট্ৰীয় পৰিষদ, স্থায়ী পৰিষদ আৰু কেন্দ্ৰীয় সামৰিক আয়োগৰ সদস্যসকলক নিয়োগ কৰে। আমেৰিকাৰ উচ্চ-পদস্থ কৰ্মচাৰীসকলৰ নিযুক্তি সম্পৰ্কীয় ক্ষমতা কংগ্ৰেছৰ নাই। অৱশ্যে ৰাষ্ট্ৰপতিৰ সকলো নিযুক্তিত চিনেটে অনুমোদন জনাব লাগে।

আমেৰিকা যুক্তৰাষ্ট্ৰৰ লিখিত সংবিধান দেশৰ চৰম আইন। সংবিধান অনুযায়ী দেশৰ উচ্চতম ন্যায়ালয় সংবিধানৰ ৰক্ষক বা অভিভাৱক। গতিকে কংগ্ৰেছৰ কোনো আইন

Scanned with CamScanner

সংবিধানবহিৰ্ভূত হ'লে উচ্চতম ন্যায়ালয়ে ইয়াক বাতিল কৰিব পাৰে। কিন্তু চীনৰ সংবিধানত উচ্চতম গণ-আদালতৰ কোনো ভূমিকা নাই। ই জাতীয় গণ-কংগ্ৰেছৰ কোনো আইনৰ বৈধতা বিচাৰ কৰিব নোৱাৰে।

আমেৰিকাৰ মন্ত্ৰীসভাৰ সদস্যসকল তেওঁলোকে কৰা কাৰ্যৰ বাবে কংগ্ৰেছৰ ওচৰত দায়িত্বশীল নহয়। কংগ্ৰেছে মন্ত্ৰীসভাৰ কোনো মন্ত্ৰীক পদৰ পৰা আঁতৰাব নোৱাৰে। কিন্তু চীন গণৰাজ্যৰ ৰাষ্ট্ৰীয় পৰিষদৰ সদস্যসকল নিজ নিজ কাৰ্যৰ বাবে জাতীয় গণ-কংগ্ৰেছৰ ওচৰত দায়ী থাকে। কংগ্ৰেছে কাৰ্যকালৰ পূৰ্বে তেওঁলোকক পদৰ পৰা আঁতৰাবও পাৰে।

আমেৰিকাৰ কংগ্ৰেছত দুটা ৰাজনৈতিক দলৰ সদস্য থকা দেখা যায়। কিন্তু চীনৰ জাতীয় গণ-কংগ্ৰেছত মাত্ৰ এটা ৰাজনৈতিক দলৰ প্ৰাধান্য পৰিলক্ষিত হয়। সেইটো হ'ল সাম্যবাদী দল। এই দলেই গণ-কংগ্ৰেছৰ সকলো ক্ষমতা প্ৰয়োগ আৰু নিয়ন্ত্ৰণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ কংগ্ৰেছত যিদৰে বিৰোধী দল আছে চীনৰ জাতীয় গণ-কংগ্ৰেছত তেনে কোনো বিৰোধী দল নাই। চীনৰ সাম্যবাদী দলৰ পলিটবুৰ'ৱে জাতীয় গণ-কংগ্ৰেছৰ অন্তঃকৰণ হিচাপে কাম কৰে। ফলত চীনৰ জাতীয় গণ-কংগ্ৰেছতকৈ আমেৰিকাৰ গণতান্ত্ৰিক ব্যৱস্থাত কংগ্ৰেছৰ সাংবিধানিক গুৰুত্ব অধিক যেন লাগে।

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে চীন গণৰাজ্য আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ— এই দুয়োখন দেশৰ বিধানমণ্ডলে নিজৰ দেশত বিভিন্ন ভূমিকা গ্ৰহণ কৰে। চীনত বিৰোধী দলৰ ব্যৱস্থা নাই। ইয়াত এদলীয় শাসন ব্যৱস্থাৰ প্ৰচলন আছে। এই দেশৰ চৰকাৰৰ বিভিন্ন অংগতকৈ সাম্যবাদী দলকহে অধিক গুৰুত্বপূৰ্ণ আৰু ক্ষমতাশালী কৰি সংবিধানে গঢ়ি তুলিছে। কঠোৰ দলীয় নিয়ন্ত্ৰত ইয়াত সকলো ক্ষেত্ৰতে প্ৰতিফলিত হয়। জাতীয় গণ-কংগ্ৰেছে সাম্যবাদী দলৰ কঠোৰ নিয়ন্ত্ৰণত থাকি কাৰ্যনিৰ্বাহ কৰিব লাগে। আমেৰিকাত দ্বি-দলীয় ব্যৱস্থাৰ প্ৰচলন থকাৰ বাবে ইয়াত চৰকাৰৰ বিভিন্ন অংগবিলাকৰ ওপৰত অধিক গুৰুত্ব দিয়া হয়। চৰকাৰৰ বিভিন্ন অংগবিলাকৰ কাৰ্যৰ ওপৰত ৰাজনৈতিক দলবিলাকে প্ৰত্যক্ষভাৱে হস্তক্ষেপ কৰিব নোৱাৰে। গতিকে আমেৰিকাৰ কংগ্ৰেছে স্বাধীনভাৱে নিজৰ দায়িত্ব পালন কৰিছে।

## প্ৰশ্নাৱলী

Scanned with CamScanner